# অসমীয়া ভাষাত কন্যা শিশুৰ মানসিক উৎকৰ্ষ সাধনৰ দিশত শিশু-সাহিত্যৰ চৰ্চা আৰু ভূমিকা

*আকাশ দীপ্ত ঠাকুৰ*


## সাৰাংশ

সাহিত্যৰ বিভিন্ন শাখা-প্ৰশাখাসমূহৰ ভিতৰত এটি অপৰিহাৰ্য অংগ হৈছে শিশু-সাহিত্য। শিশুসকলৰ অপৈণত, কোমল মানসিকতাৰ সৈতে একাত্ম হ'ব পৰাকৈ আৰু তেওঁলোকৰ মনস্তত্ত্বৰ বিভিন্ন দিশসমূহ সূক্ষ্মাতিসূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি বিভিন্ন সময়ত ভিন ভিন পৰিবেশৰ সৈতে খাপ খাই পৰাকৈ অভিজ্ঞ সাহিত্যিকসকলে সৃষ্টি কৰা সাহিত্য আৰু এনে সাহিত্যৰ প্ৰতি স্বভাৱগতভাৱে আকৰ্ষিত হৈ অনুসন্ধিৎসু মন আৰু স্বকীয় প্ৰতিভাৰে শিশুসকলে নিজে সৃষ্টি কৰা সাহিত্য—প্ৰধানতঃ এই দুই প্ৰকাৰৰ সাহিত্যৰে শিশু-সাহিত্যসমূহক শ্ৰেণী বিভাজন কৰিব পাৰি যদিও পৃথিৱীৰ বিভিন্ন ভাষাৰ সাহিত্য অধ্যয়নৰ যোগেদি এটা বিষয় প্ৰতীয়মান হয় যে সাধাৰণতে অভিজ্ঞ সাহিত্যিকসকলে শিশুসকলৰ উপযোগীকৈ সৃষ্টি কৰা সাহিত্যসমূহকহে প্ৰধানকৈ শিশু-সাহিত্যৰ অধ্যয়ন তথা সমালোচনাৰ আওতালৈ আনিব বিচৰা হয়; কিয়নো এইসমূহ সাহিত্যৰ অধ্যয়ন তথা প্ৰভাৱ বিস্তাৰৰ ফলশ্ৰুতিতহে শিশুসকল সাহিত্যসৃষ্টিৰ প্ৰতি আগ্ৰহী হৈ পৰে। মূলতঃ এই বিষয়টোকে আধাৰস্বৰূপে লৈ বৈষ্ণৱ যুগত শ্ৰীধৰ কন্দলীৰ দ্বাৰা ৰচিত 'কাণ-খোৱা' শীৰ্ষক নিচুকনি গীতৰ পুথিখনকে প্ৰথম অসমীয়া শিশু- সাহিত্য বুলি অভিহিত কৰি বৰ্তমান সময়লৈকে বিভিন্ন সময়ত চিৰ স্মৰণীয় সাহিত্যিকসকলকে ধৰি ন-পুৰণি বিভিন্ন সাহিত্যিকৰ কলমেৰে সৃষ্টি হোৱা মনোৰঞ্জনৰ সমলেৰে পৰিপূৰ্ণ তথা চালুকীয়া বয়সৰ জ্ঞানবৰ্ধক সাধুকথাৰ পুথি, গল্প, উপন্যাস, কবিতা, অনূদিত সাহিত্য, বিজ্ঞানভিত্তিক সাহিত্য, শিশু আলোচনী আদিসমূহৰ এটি বিস্তৃত পৰ্যবেক্ষণ এই পত্ৰখনিত সন্নিৱিষ্ট কৰিবলৈ প্ৰয়াস কৰা হৈছে। অন্যহাতে আমাৰ এই পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত শিশু অৱস্থাৰেপৰা বহু অভিভাৱকে কন্যাসকলক কিছুমান নিয়ম-শৃংখলা, ৰীতি-নীতি-পৰম্পৰাৰ বিষয়ে অৱগত কৰাবলৈ যত্নপৰ হোৱা পৰিলক্ষিত হয়। ধৰ্ম তথা ভাষাৰ আলমত অদৃশ্য সূতাৰে বিভক্ত  হৈ থকা সমাজখনত এনে প্ৰয়াসৰ কিছু তাৰতম্যও নথকা নহয়।  এইখন সমাজতে এটা পৰ্যায়ৰ পাছৰপৰা কন্যা শিশুসকলৰ মানসিকতাৰ ওপৰত বিভিন্ন ধৰণৰ সামাজিক বাধ্যবাধকতাই প্ৰত্যক্ষ  অথবা পৰোক্ষভাৱে ক্ৰিয়া কৰে। তদুপৰি শৈশৱ, কৈশোৰ পাৰ হৈ যৌৱনৰ দুৱাৰডলিত ভৰি দিয়ালৈকে সৈতে অনেক কন্যা শিশু বিভিন্ন ধৰণৰ যৌন-নিৰ্যাতনৰ চিকাৰ হোৱা ঘটনাবোৰতো আছেই। এনে ধৰণৰ দিশসমূহ চালি-জাৰি চালে সাম্প্ৰতিক সময়তো

আমাৰ সমাজখনত কন্যা শিশুৰ মনস্তত্ত্বৰ ভিন্নসুৰীতা পুৰুষ শিশুতকৈ পৃথক ধাৰণাৰে গঢ় লোৱা বিষয়টো নুই কৰিব নোৱাৰি। অনস্বীকাৰ্য যে তাহানিৰেপৰা আজিৰ এই পৰ্যায়লৈকে কন্যা শিশুৰ মানসিক উত্তৰণৰ দিশত তেওঁলোকৰ স্বভাৱগতভাৱে সৰল মনবোৰৰ সৈতে একাত্ম হৈ পৰিব পৰা যিকোনো উৎকৃষ্ট সাহিত্যই যি ভূমিকা গ্ৰহণ কৰিব পাৰে, সেয়া অন্য যিকোনো মাধ্যমে গ্ৰহণ কৰিব পৰা ভূমিকাতকৈ নিঃসন্দেহে শ্ৰেষ্ঠ। এই লেখাটোত বিভিন্ন মনীষীসকলৰ অসমীয়া ভাষাত শিশু-সাহিত্য চৰ্চাৰ এটি সম্যক বিৱৰণৰ লগতে কন্যা শিশুৰ মনস্তত্ত্বৰ সৈতে ৰজিতা খুৱাই শিশু-সাহিত্যৰ প্ৰকৃত প্ৰয়োজনীয়তাৰ বিভিন্ন দিশসমূহ সাঙুৰি এটা সময়সাপেক্ষ বিশ্লেষণ আগ বঢ়াবলৈ প্ৰয়াস কৰা হৈছে।
**সূচক শব্দ ঃ** শিশু সাহিত্য, কন্যা শিশু, মানসিকতা, উত্তৰণ

**প্ৰস্তাৱনা**

অসমীয়া সাহিত্যৰ অন্যতম গুৰুত্বপূৰ্ণ অংগ শিশু-সাহিত্যৰ বিভিন্ন দিশসমূহ সাঙুৰি আপাতঃ দৃষ্টিত এইসমূহক দুটা ভাগত বিভক্ত কৰিব পৰা যায়—শিশুসকলৰদ্বাৰা সৃষ্ট সাহিত্য আৰু শিশুসকলৰ বাবে সৃষ্টি কৰা সাহিত্য। ইয়াৰে আকৌ প্ৰথম ভাগটো অৰ্থাৎ শিশুসকলৰ দ্বাৰা সৃষ্টি হোৱা সাহিত্যসমূহ পৰোক্ষভাৱে হ'লেও দ্বিতীয় ভাগটোৰ ওপৰত বিশেষকৈ নিৰ্ভৰশীল বুলি ক'ব পাৰি। কিয়নো, শিশুসকলৰ মনবোৰ সাধাৰণতে এখন কল্পনাপ্ৰৱণ জগতত বিচৰণ কৰি ফুৰে; যাক আমি 'অতি বাস্তৱ' জগত বুলি অভিহিত কৰিব পাৰোঁ। কোনো কোনো ক্ষেত্ৰত অৱশ্যে অভিজ্ঞ অথবা বয়স্ক ব্যক্তিসকলো সময় সাপেক্ষে নিজৰ অজ্ঞাতেই এনে এখন 'অতি বাস্তৱ' জগতৰ বাসিন্দা হৈ পৰাৰ উদাহৰণো নোহোৱা নহয়। যেনে ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কত সদা-সৰ্বদা সন্দিহান দৃষ্টিভংগী লৈয়ো ব্যক্তিগত কিছুমান সংকীৰ্ণ পৰিস্থিতিত পৰি ঈশ্বৰৰ কৰুণাৰ ওপৰতে একমাত্ৰ নিৰ্ভৰশীল হৈ পৰা ব্যক্তিও আজিৰ সমাজত সততেই দৃষ্টিগোচৰ হয়। শিশুসকলৰ ক্ষেত্ৰত কিন্তু এই 'অতি বাস্তৱ' বুলি অভিহিত কৰিব বিচৰা জগতখনেই বহুক্ষেত্ৰত একান্ত আপোন হৈ পৰি তেওঁলোকৰ কোমল-অপৈণত মনবোৰত আবেগ, অনুৰাগ ইত্যাদি বিভিন্ন অনুভূতিৰ সঞ্চাৰ কৰিব পাৰে, যাৰ ফলত অপৰ্যাপ্ত অনুসন্ধিৎসাৰ জন্ম হৈ সময়ত সেয়া সৃষ্টিৰ তাড়নালৈ পৰ্যবসিত হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। শিশুমনবোৰে নিজৰ অজানিতেই চৌপাশৰ প্ৰকৃতি-পৰিবেশক আপোন কৰি লয়; চৰাই-চিৰিকতি, ফুল, পখিলা ইত্যাদিবোৰৰ সৈতে কথা পাতিব বিচাৰে। তেনেস্থলত এনে কৌতূহলী মনোবৃত্তিৰ সৈতে ৰজিতা খোৱাকৈ, তেওঁলোকৰ মানসিকতাক আকৰ্ষিত কৰিব পৰাকৈ উৎকৃষ্ট সাহিত্যৰ যোগান ধৰিব পৰাটো অতিকে প্ৰয়োজনীয় এটা বিষয়। শিশু মানসিকতাৰ বাবে অতিশয় উপযোগী তথা প্ৰয়োজনীয় সাহিত্যসমূহকে 'শিশু-সাহিত্য' বুলি সাধাৰণীকৃত কৰি অসমীয়া ভাষাত এনে শিশু-সাহিত্যৰ ভেঁটি গাঁথনিৰ পৰা ক্ৰমবিকাশৰ পৰ্যায় সম্পৰ্কে এটি সম্যক ধাৰণা আলোচনা কৰিব বিচৰা হৈছে। **সাহিত্য বুলি ক'লে সাধাৰণতে বয়সৰ সীমা নিৰ্ধাৰণ কৰা নহয়; আকৌ শিশু অৱস্থাত ল'ৰাই হওক অথবা ছোৱালীয়ে হওক, মনস্তত্ত্বৰ ধাৰণাটোৰ বিশেষ পাৰ্থক্য দেখা নাযায় যদিও এটা কথা উলাই কৰি চলিব নোৱাৰি যে এগৰাকী নাৰী শৈশৱৰ দুৱাৰডলি পাৰ হৈ কৈশোৰ অতিক্ৰমি হে পূৰ্ণ যৌৱনপ্ৰাপ্ত অথবা প্ৰাপ্তবয়স্কৰ সীমাত উপনীত হয়। সেয়েহে প্ৰতিগৰাকী নাৰীয়ে এটা কথা অনুভৱ কৰিব পাৰে যে শৈশৱৰপৰা কৈশোৰলৈকে প্ৰত্যেকৰে মানসিকতাই**



**বিভিন্ন স্তৰৰ মাজেদিহে প্ৰকৃততে অগ্ৰসৰ হয়। একেই অনুভৱ পুৰুষ-শিশুৰ ক্ষেত্ৰতো প্ৰযোজ্য হয় যদিও সাধাৰণতে আমাৰ পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত শিশু অৱস্থাৰেপৰা বহু অভিভাৱকে কন্যাসকলক কিছুমান নিয়ম-শৃংখলা, ৰীতি-নীতি-পৰম্পৰাৰ বিষয়ে অৱগত কৰাবলৈ যত্নপৰ হোৱা পৰিলক্ষিত হয়। ধৰ্ম তথা ভাষাৰ আলমত অদৃশ্য সূতাৰে বিভক্ত হৈ থকা সমাজখনত এনে প্ৰয়াসৰ তাৰতম্য থাকিলেও উদ্দেশ্য কিন্তু সকলোৰে একে। কন্যা শিশুসকলৰ মনবোৰ এনে নীতিজ্ঞানৰ আওতাত সোমাই পৰিবলৈ প্ৰকৃততে উপযুক্ত হয়নে নহয়—সেই বিষয়েও উপলব্ধি কৰিবলৈ অৱকাশ নোহোৱাকৈয়ে সময়ে সময়ে তেওঁলোকক এনে ধৰণৰ মানসিক নিষ্পেষণ কৰা দেখা যায়। তদুপৰি ফুল-তৰা-পখিলা খেদি ফুৰা বয়সতে অনেক কন্যা শিশু যৌন-নিৰ্যাতনৰ দৰে ঘৃণনীয় অভিসন্ধিৰ চিকাৰ হোৱা ঘটনাবোৰতো আছেই। এনে ধৰণৰ দিশসমূহ চালি-জাৰি চালে সাম্প্ৰতিক সময়তো আমাৰ সমাজখনত কন্যা শিশুৰ মনস্তত্ত্বৰ ভিন্নসুৰীতা পুৰুষ শিশুতকৈ পৃথক ধাৰণাৰে গঢ় লোৱা বিষয়টো নুই কৰিব নোৱাৰি।**

সকলো প্ৰকাৰৰ সাহিত্য শিশু মনস্তত্ত্বৰ বাবে উপযোগী কেতিয়াও হ'ব নোৱাৰে। খাদ্যাভ্যাসকে মুখ্য কৰি খেলা-ধূলা, বিদ্যায়তনিক দিশ, স্বভাৱ-চৰিত্ৰ, আচাৰ-ব্যৱহাৰলৈকে সকলো ক্ষেত্ৰতে অভিভাৱকৰ পৰিচালনাৰ ওপৰত নিৰ্ভৰশীল শিশুসকলৰ বাবে শক্তি আহৰণৰ ক্ষেত্ৰত সুষম খাদ্য যেনেকৈ প্ৰয়োজনীয়, ঠিক সেইদৰে অদূৰ ভৱিষ্যতে সম্যক জ্ঞান আহৰণৰ যোগেদি সফল ব্যক্তিত্বৰ স্তৰত উপনীত হ'ব পৰাকৈ তেওঁলোকৰ মানসিকতাৰ সৈতে একাত্ম হৈ পৰিব পৰা সু-সাহিত্যৰ চৰ্চাৰে মানসিক খাদ্য যোগান ধৰিব পৰাটোও সমানেই এটি প্ৰয়োজনীয় বিষয়।

অসমীয়া সাহিত্যৰ জগতখনত শিশু-সাহিত্যৰ বিভিন্ন দিশসমূহত পৰ্যাপ্ত সাহিত্যসৃষ্টিৰ পৰিসৰ কিছু সীমিত যদিও অতীজৰেপৰা বৰেণ্য সাহিত্যিকসকলৰ অধিকাংশই এই দিশত কম-বেছি পৰিমানে মনোযোগ দিয়া পৰিলক্ষিত হয়। এটা কথা নিশ্চিত যে সাহিত্যৰ বিভিন্ন শাখা-প্ৰশাখাৰ ভিতৰত শিশু-সাহিত্যৰ ক্ষেত্ৰতে জামজমকতা (তথাকথিত গ্লেমাৰ) ৰ প্ৰাধান্য কম হোৱাৰ লগতে এনে সাহিত্যৰ সমালোচনা তথা চৰ্চাৰ পৰিসৰো তুলনামূলকভাৱে কম হোৱাৰ পৰিপ্ৰেক্ষিতত পাছলৈ সাহিত্যসৃষ্টি কিছু স্তিমিত হৈ পৰাটো স্বাভাৱিক আৰু এই অহৈতুকী ত্ৰুটিৰপৰা বহুতো নমস্য সাহিত্যিকো যে নিশ্চয়কৈ সাৰি যোৱা নাই, সেই কথাটো তেখেতসকলৰ সাহিত্যৰাজিৰ ওপৰত বিস্তৃত আলোকপাত কৰিলেই সহজতে ধৰা পৰে। তত্ৰাচ এনে বৰেণ্য সাহিত্যিকসকলৰ শিশু মনস্তত্ত্বৰ সৈতে একাত্ম হ'ব পৰা আৰু অপৈণত বয়সৰ পাঠকসকলক সহজতে আকৃষ্ট কৰিব পৰা সুন্দৰ সাহিত্যবিশেষে অসমীয়া সাহিত্যৰ এই অপৰিহাৰ্য দিশটোৰ ভেটি টনকিয়াল কৰি থৈ যোৱা কথাষাৰো সমানে প্ৰযোজ্য।

এই লেখাটোত বিভিন্ন মনীষীসকলৰ অসমীয়া ভাষাত শিশু-সাহিত্য চৰ্চাৰ এটি সম্যক বিৱৰণৰ লগতে কন্যা শিশুৰ মনস্তত্ত্বৰ সৈতে ৰজিতা খুৱাই শিশু-সাহিত্যৰ প্ৰকৃত প্ৰয়োজনীয়তাৰ বিভিন্ন দিশসমূহ সাঙুৰি এটা সময়সাপেক্ষ বিশ্লেষণ আগ বঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

**অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তিসকলৰ শিশু-সাহিত্যপ্ৰীতি**

এটা কথা অনস্বীকাৰ্য যে শিশুসকলৰ মানসিকতাক উদ্দেশ্য কৰি ৰচিত হোৱা সাধুকথা তথা আখ্যানসমূহ আৰু গীত-কবিতা ইত্যাদিবোৰ যুগ যুগ ধৰি অসমীয়া সাহিত্যৰ অবিচ্ছেদ্য অংগ হৈ আহিছে।

পৃথিৱীৰ বিভিন্ন ভাষাত সৃষ্টি হৈ মুখ বাগৰি অহা গীত-মাতৰ উপৰি সাধু, আখ্যান, উপাখ্যান, পঞ্চতন্ত্ৰ, হিতোপদেশ, ৰামায়ণ, মহাভাৰত, পুৰাণ আদি লোকসাহিত্যতো অসমীয়া শিশু-সাহিত্য যে চহকী আছিল তাৰ কিছুমান উদাহৰণ পোৱা যায় বিশেষ উল্লেখনীয় কিছুমান শিশু-গ্ৰন্থৰ মাজেদি। বৈষ্ণৱ যুগৰ শ্ৰীধৰ কন্দলীৰ দ্বাৰা ৰচিত নিচুকনি গীতৰ পুথি ‘কাণ-খোৱা’, ড° বীৰেন্দ্ৰনাথ দত্তৰ দ্বাৰা সংগৃহীত গোৱালপৰীয়া নিচুকনি আৰু খেল-ধেমালিৰ গীতৰ সংগ্ৰহ ‘গোৱালপৰীয়া লোকগীত সংগ্ৰহ’, পানীন্দ্ৰনাথ গগৈৰ ‘ল’ৰা শিক্ষাৰ আগছোৱা’, ‘মাজছোৱা’ আৰু ‘শেষছোৱা’ নামৰ পাঠ্যপুথিত সন্নিৱিষ্ট হোৱা শিশুমনৰ উপযোগী পদ্য আৰু প্ৰবাদসমূহ, দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱাৰ দ্বাৰা ৰচিত ‘উজু কবিতা’, ‘ফুল’ আৰু ‘ল’ৰা কবিতা’শীৰ্ষক কাব্যগ্ৰন্থকেইখন, দেৱেশ্বৰ চলিহাৰ ‘ল’ৰা-সখি’, আব্দুল মজিদৰ ‘নিম্ন প্ৰাইমেৰী পাঠ’ নামৰ পাঠ্যপুথি দুখন, বলদেৱ মহন্তৰ ‘উজু পাঠ’, আনন্দৰাম ঢেকীয়াল ফুকনৰ ‘অসমীয়া ল’ৰাৰ মিত্ৰ’, আনন্দ চন্দ্ৰ আগৰৱালাৰ ‘কোমল পাঠ’, ‘শিশু পাঠ’ আৰু ‘জিলিঙনি’, কুমুদেশ্বৰ বৰঠাকুৰৰ ‘লাৱণ্যৰ আদিপাঠ’ আৰু ‘লাৱণ্যৰ দ্বিতীয় ভাগ’, সত্যনাথ বৰাৰ ‘সাৰথি’, সৰ্বেশ্বৰ শৰ্মা কটকীৰ ‘মুৰুলী’, চন্দ্ৰধৰ বৰুৱাৰ ‘নতুন পাঠ’, ‘উজু পাঠ’ আৰু ‘উজু সাহিত্য’, কাশীনাথ বৰ্মনৰ ‘অতুল পাঠমালা’, মফিজুদ্দিন আহমদ হাজৰিকাৰ ‘জ্ঞানমালিনী’, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ‘সাধুকথাৰ কুঁকি’ আদি শিশু-গ্ৰন্থসমূহ অতি উৎকৃষ্ট তথা আকৰ্ষণীয় শিশু-সাহিত্যৰূপে সৰ্বজন সমাদৃত হৈছিল। উল্লিখিত গ্ৰন্থসমূহৰ ভিতৰত নীতিশিক্ষা, বুৰঞ্জী আৰু ভূগোলৰ পাঠ্যপুথি হিচাপে স্বীকৃত আনন্দৰাম ঢেকীয়াল ফুকনৰ ‘অসমীয়া ল’ৰাৰ মিত্ৰ’ নামৰ পুথিখনক আধুনিক অসমীয়া গদ্যৰ বিকাশৰ উৎকৃষ্ট দৃষ্টান্ত হিচাপেও অভিহিত হোৱাৰ বিষয়টোক আধাৰ হিচাপে লৈ একে আষাৰে ক’ব পাৰি যে অসমীয়া গদ্য সাহিত্যৰ ভেটি অসমীয়া শিশু-সাহিত্যৰ মাজেৰেহে প্ৰতিষ্ঠিত হৈছিল।

**সাধুকথাৰ জগতখনত এটি বিহংগম দৃষ্টি**

অতীজৰে পৰা অসমীয়া সমাজত মুখ বাগৰি আহি প্ৰচলিত হোৱা আৰু দুটামান নিজে ৰচনা কৰা ডেৰ কুৰি জনপ্ৰিয় সাধুৰ সংকলন, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ সৃষ্টি ‘বুঢ়ী আইৰ সাধু’ৰ সাধুবোৰ, তেখেতৰ সাধু কোৱাৰ কৌশল, বুদ্ধিদীপ্ত সংলাপ, নাটকীয় পৰিস্থিতিৰ উদ্ভাৱন তথা হাস্য-ব্যংগৰ সমাহাৰেৰে শিশুৰ মানসিকতাক আকৰ্ষণ কৰিব পৰাৰ এক অদ্বিতীয় উদাহৰণস্বৰূপে সৰ্বতোকাললৈ অসমীয়া শিশু-সাহিত্যৰ জগতখনত ভোটা তৰা হৈ জিলিকি থাকিব। বেজবৰুৱাৰ ‘ককাদেউতা আৰু নাতিল’ৰা’, ‘সাধুকথাৰ কুঁকি’ আৰু ‘জোনবিৰি’ তথা গদ্য আৰু পদ্যত ৰচনা কৰা ‘জুনুকা’ৰ উপৰি ‘নোমল’, ‘পাচনি’, ‘লিতিকাই’ আৰু ‘চিকৰপতি-নিকৰপতি’ আদি প্ৰহসনভংগীৰ নাটকেইখনো উল্লেখনীয় শিশু-সাহিত্যৰ শাৰীত ধৰিব পাৰি। **বিশেষভাৱে উল্লেখনীয় যে বেজবৰুৱাৰ ‘মুক্তি’ নামৰ গল্পটোৰ কাহিনী-বিন্যাসৰ সৈতে বিশেষ সাদৃশ্য পৰিলক্ষিত হয় আমীৰ খান অভিনীত জনপ্ৰিয় হিন্দী চিনেমা ‘তাৰে জমীন পৰ’ৰ কাহিনীভাগৰ। শিশু-সাহিত্যৰ প্ৰকৃত চৰ্চাৰ অভাৱ, অৱহেলা তথা অনীহাৰ বাবেই আজিকোপতি ‘মুক্তি’ গল্পটো প্ৰাপ্য স্বীকৃতিৰ পৰা দুখ লগাকৈ বঞ্চিত হ’ল অথচ ‘তাৰে জমীন পৰ’ নামৰ শিশু-কথাছবিখনে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো জনপ্ৰিয়তাৰ শিখৰত আৰোহণ কৰাৰ লগতে দৰ্শক-সমালোচকৰ দৃষ্টি আকৰ্ষণেৰে সৰ্বজনচৰ্চিত হৈ পৰিবলৈকো সক্ষম হ’ল।**

সাধুকথাৰ মাজেৰে শিশু-সাহিত্যৰ জগতলৈ উল্লেখনীয় বৰঙণি আগ বঢ়োৱাসকলৰ ভিতৰত



তুলসী প্ৰসাদ দত্তৰ ‘সাধুকথাৰ জোলোঙা’, কুমুদেশ্বৰ বৰঠাকুৰৰ ‘সাধুকথাৰ ভঁড়াল’, চন্দ্ৰধৰ ৰাজখোৱাৰ ‘পঞ্চকন্যা’, মহেশ চন্দ্ৰ কটকীৰ ‘বেতাল পঞ্চবিংশতি’, ‘গজমুকুতা’, তাৰানাথ বৰপূজাৰীৰ ‘মহাভাৰতৰ ৰহঘৰা’, ‘মহাভাৰতৰ মৌ-বিচনী, ৰোযেশ্বৰ শৰ্মাৰ ‘ঈছপৰ সাধু’, মিত্ৰদেৱ মহন্তৰ ‘মৌ মহাভাৰত’, বেণুধৰ শৰ্মাৰ ‘মৰমৰ কাৰেং’, ‘ৰাংপতা’ আৰু ‘লাটুমণি’, হৰিপ্ৰসাদ বৰুৱাৰ ‘মইনা’, অতুল চন্দ্ৰ হাজৰিকাৰ ‘কথা-কীৰ্ত্তন’, ‘পুৰণি সাহিত্যৰ পাৰিজাত’, ‘মাণিকী মাধুৰী’, ‘অপেশ্বৰীৰ দেশ’, ‘দিগ্বীজয়ী’, ‘ৰুণুক-জুনুক’, ‘আগৰ দিন’, ‘হাঁহিচম্পা’, ‘গ্ৰীচৰ সাধু’,আৰু ‘ৰাণী হিমানী’, প্ৰফুল্ল দত্ত গোস্বামীৰ ‘বিলাতী হোজা’, শশীপ্ৰভা দাসৰ ‘ৰ’দালি এ ৰ’দ দে’, অতুল চন্দ্ৰ বৰুৱাৰ ‘ওলট-পালট’, ‘সন্ধিয়াৰ সাধু’ আৰু ‘মাজনিশাৰ সাধু’, অণু বৰুৱাৰ ‘সাধু সাধু সাধু’, ৰাধিকা মোহন ভাগৱতীৰ ‘এজন ৰজা আছিল’, কাশীনাথ বৰ্মনৰ ‘দেশ-বিদেশৰ সাধু’, প্ৰসন্নলাল চৌধুৰীৰ ‘আমাৰ দেশৰ সাধু’, চৈয়দ আব্দুল মালিকৰ ‘মুকলি মনৰ সাধু’, ড° কালিনাথ শৰ্মাৰ ‘ভালুকৰ ভুৰকালে’, নৰেন্দ্ৰনাথ শৰ্মাৰ ‘লাক-পাকুৰ-কুৰ’, ড° লীলা গগৈৰ ‘পোনাকণৰ সপোন’, ‘ৰংমনৰ কথা’, আৰু ‘সোণতৰা’, প্ৰেমধৰ দত্তৰ ‘ন-কথা’, ভেকো-ভাওনা’, আৰু ‘সাজি কোৱা নাই’, নৰকান্ত বৰুৱাৰ ‘মাখনৰ কুকুৰা পোৱালি’, মুক্তিনাথ বৰদলৈৰ ‘তীৰ্থযাত্ৰীৰ সাধু’, কেশৱানন্দ দেৱ গোস্বামীৰ ‘ক’ব জানিলে কথা’ আৰু ‘নাহিবি জপনা দেই’, আব্দুছ ছাত্তাৰৰ ‘অকণি অকণি পোৱালমণি’, পূৰ্ণ চন্দ্ৰ গোস্বামীৰ ‘জিলিংখাপৰ সাধু’, যতীন গোস্বামীৰ ‘পিংপং বৰুৱাৰ মটৰ গাড়ী’, নন্দ তালুকদাৰৰ ‘তাহানিৰ সাধু’, ডিম্বেশ্বৰ চলিহাৰ ‘শিয়াল পণ্ডিত’, প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ ‘বুধিয়ক কোন’, গোলোক চন্দ্ৰ দত্তৰ ‘নিগনি কন্যাৰ দৰা’, সত্যেন বৰকটকীৰ ‘ল’ৰা-লুৰিৰ সাধু’, ড° নবীন চন্দ্ৰ শৰ্মাৰ ‘আইৰ মুখৰ সাধু’, সুৰেন্দ্ৰ কুমাৰ দাসৰ ‘গোপাল ভাড়ৰ সাধু’ আৰু ‘নিংনি ভাৱৰীয়াৰ সাধু’, ভাৰতী বৰুৱাৰ ‘যাদুৰ কথাৰে সাধু’ নিৰুপমা বৰুৱাৰ ‘আমাৰে মইনা শুব এ’, এলি আহমেদৰ ‘তৰাফুল’, সদৌ অসম লেখিকা সন্থাৰ ‘আইতাই সাধু কয়’ ড° কৰবী ডেকা হাজৰিকাৰ ‘প্ৰাচীন ভাৰতৰ আখ্যান’ আৰু ‘বেজবৰুৱাৰ সাধু’, মিনতি হাজৰিকাৰ ‘টুনটুনিৰ সাধু’, কৈলাশ শৰ্মাৰ ‘পূৰ্বাঞ্চলৰ সাধু’ আৰু ‘সাত ভনীৰ সাধু’, প্ৰীতি মেধিৰ ‘তিনি কুৰি দহটা বাৰে মিহলি সাধু’ আৰু স্বৰ্ণ শইকীয়াৰ সম্পাদনাত ‘মোনা ভৰাই ৰং আনিছোঁ’ বিশেষভাৱে উল্লেখযোগ্য। এইসমূহৰ ভিতৰত ড° কৰবী ডেকা হাজৰিকাৰ ‘বেজবৰুৱাৰ সাধু’ নামৰ গ্ৰন্থখনিত লক্ষ্মীনাথ বেজবৰুৱাৰ ‘বুঢ়ী আইৰ সাধু’ আৰু ‘ককাদেউতা আৰু নাতি ল’ৰা’ৰ সাধুসমূহ একত্ৰিত কৰা হৈছে।

শিশুমনক সবাতোকৈ প্ৰভাৱিত কৰিব পৰা শিশু-সাহিত্যৰ সাহিত্যৰ বিভাগটোৱেই হৈছে ‘সাধুকথা’। কোৱা বাহুল্য যে শিশুসকলক উদ্দেশ্য কৰিয়ে মূলতঃ সাধুকথাৰ সৃষ্টি হয়। অসমীয়া শিশু-সাহিত্যৰ জগতখনত আজিকোপতি যিমান সাধুকথাৰ সৃষ্টি হৈছে, সেইসমূহৰ ভিতৰত ‘বুঢ়ী আইৰ সাধু’ৱে যি সুকীয়া, মৌলিক স্থান অধিকাৰ কৰি ল’লে, অন্য কোনো সাহিত্যিকৰ কোনো সৃষ্টিয়ে পুনৰাই সেই স্থান ল’বহি পৰা নাই। যুগ যুগ ধৰি এই সাধুসমূহ মুখ বাগৰি আহি আহি যেন অসমীয়া গ্ৰাম্য সমাজ-জীৱনত সেইসমূহে এক সুকীয়া প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। **ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে আমি যিমানেই উলাই কৰি চলিবলৈ চেষ্টা নকৰোঁ কিয়, এইখন সমাজতে এটা পৰ্যায়ৰ পাছৰপৰা কন্যা শিশুসকলৰ মানসিকতাৰ ওপৰত বিভিন্ন ধৰণৰ সামাজিক বাধ্যবাধকতাই পৰোক্ষ অথবা প্ৰত্যক্ষভাৱে ক্ৰিয়া কৰে। ‘বুঢ়ী আইৰ সাধু’ত সন্নিৱিষ্ট হোৱা তথা কন্যা শিশুৰ মনস্তত্ত্বৰ ওপৰত সৰ্বাধিক প্ৰভাৱ বিস্তাৰ কৰিব পৰা কেইটিমান**

**উল্লেখযোগ্য সাধুকথা হৈছে—'তেজীমলাৰ সাধু', 'তুলা আৰু তেজা', 'চম্পাৱতীৰ সাধু' আৰু 'চিলনীৰ জীয়েকৰ সাধু'।** উল্লিখিত সাধুকেইটাৰ ভিতৰত 'তেজীমলাৰ সাধু' শীৰ্ষক সাধুটোৰ বাদে বাকী আটাইকেউটা সাধুৰ কাহিনী-বিন্যাসত থকা এটা সামঞ্জস্য হৈছে বিবাহৰ পাছত এগৰাকী নাৰীৰ সামাজিক পৰিপূৰ্ণতাৰ বিষয়টো। অজগৰৰ ৰূপত অহা ৰাজকুমাৰে ধানৰখীয়া হৈ থকা চম্পাৱতীক বিয়া কৰাই লৈ যোৱাৰ পাছত স্বৰ্ণ আভূষণকে আদি কৰি নানা ঐশ্বৰ্যৰে তাইৰ জীৱনটো পৰিপূৰ্ণ কৰা, যাৰ ফলত ঈৰ্ষাৰ বশৱৰ্তী হৈ চম্পাৱতীৰ মাহীমাকে নিজ কন্যাক অন্য এটা বনৰীয়া অজগৰৰ সৈতে বিয়া পাতি দিয়াৰ ঘটনা; আকৌ এজনী চিলনীয়ে লোকচক্ষুৰ আঁৰত, বৰগছৰ খোৰোঙতে ডাঙৰ-দীঘল কৰা ধুনীয়া যুৱতীগৰাকীক এদিন ধনী সদাগৰে বিয়া কৰাই লৈ যোৱা, বিবাহৰ পাছত সতিনীহঁতে ঘৰুৱা কামৰ বাবে তাইক মানসিক অত্যাচাৰ কৰাৰ সময়ত তাইৰ মাক চিলনীয়ে তাইক সহায় কৰিবলৈ অহা; ঠিক সেইদৰে 'তুলা আৰু তেজা' গল্পটোতো বিবাহৰ পাছত তেজাৰ ঐশ্বৰ্য-বিভূতি দেখি মাহীমাকে বুদ্ধি কৰি নিজৰ জীয়েক তুলাক সেইজন জোঁৱায়েকলৈকে বিয়া দিবলৈ কৰা অভিসন্ধি...এইধৰণৰ কাহিনীয়ে শৈশৱৰেপৰা কন্যা এগৰাকীৰ মনত নিজৰ অজানিতেই বিবাহোত্তৰ নাৰী এগৰাকীৰ পূৰ্ণ প্ৰতিচ্ছবি এখন আঁকি থৈ যায়। 'তেজীমলাৰ সাধু'ত বৰ্ণিত হোৱা মাহীমাকৰ অত্যাচাৰ, তেজীমলাৰ প্ৰতি পিতৃৰ মৰম; একেধৰণে 'তুলা আৰু তেজা' অথবা 'চম্পাৱতীৰ সাধু'ত বৰ্ণিত হোৱা তদ্ৰূপ মাহীমাকৰ অত্যাচাৰৰ কাহিনী আৰু তাৰ আশাব্যঞ্জক পৰিণতিয়ে কন্যা শিশু এটিক শৈশৱ, কৈশোৰ, যৌৱন পাৰ হৈ নিজকে এগৰাকী পূৰ্ণাংগ নাৰী কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰাটো অনস্বীকাৰ্য। **তাহানিৰেপৰা আজিৰ এই পৰ্যায়লৈকে কন্যা শিশুৰ মানসিক উত্তৰণৰ দিশত এনে সাধুকথাই যি ভূমিকা গ্ৰহণ কৰি আহিছে অথবা কৰিব পৰাৰ থল আছে, সেয়া অন্য যিকোনো মাধ্যমে গ্ৰহণ কৰিব পৰা ভূমিকাত কৈ নিঃসন্দেহে শ্ৰেষ্ঠ তথা উপযুক্ত বুলি ভাবিব পাৰি।**

**অনূদিত শিশু-সাহিত্যত এভুমুকি**

'অৰুনোদই'ৰ সময়ৰেপৰা অসমীয়া শিশু-সাহিত্যৰ ক্ৰমবিকাশত অনূদিত সাহিত্যই অতিশয় গুৰুত্বপূৰ্ণ ভূমিকা লৈ পৰৱৰ্তী সময়ত বিশিষ্ট সাহিত্যিকসকলৰ মনোগ্ৰাহী ভাষাৰ পৰিপূৰ্ণতাৰে পূৰ্ণাংগ ৰূপ ধাৰণ কৰে। স্বৰাজোত্তৰ কালতে সুৰেন্দ্ৰ মোহন দাসৰদ্বাৰা অনূদিত হৈ জনপ্ৰিয় হৈছিল 'টলষ্টয়ৰ সাধু'। তাৰ পাছতো প্ৰফুল্ল বৰুৱাৰ 'গ্ৰীচ দেশৰ সাধু', যতীন্দ্ৰনাথ গোস্বামীৰ 'মৌচাক', অতুল চন্দ্ৰ হাজৰিকাৰ 'এণ্ডাৰছনৰ সাধু', আজলিতৰা নেওগৰ 'আলিবাবা আৰু দুকুৰি ডকাইত', যজ্ঞেশ্বৰ শৰ্মাৰ 'গুলেস্তাৰ সাধু', জমিৰুদ্দিনৰ 'চীন দেশৰ কাহিনী', ৰঞ্জিতা বৰুৱাৰ 'চীন দেশৰ সাধু', প্ৰমোদ কাকতিৰ 'জাপানী সাধু', ড° লক্ষহীৰা দাসৰ 'দেশ-বিদেশৰ শিশু গল্প সংগ্ৰহ', শুচিব্ৰতা ৰায়চৌধুৰী আৰু ভৱগিৰি ৰায়চৌধুৰীৰ 'সোণালী পেৰা', নিৰুপমা ফুকনৰ 'কাশ্মীৰ দেশৰ সাধু', আৰু 'নেপালৰ সাধু', ড° জয়শ্ৰী গোস্বামী মহন্তৰ 'বিশ্বৰ শ্ৰেষ্ঠ সাধু', তোষপ্ৰভা কলিতাৰ 'কিমান যে সাধু', যোগেন্দ্ৰ নাৰায়ণ গোস্বামীৰ 'পাঁচোটা বিদেশী সাধু', প্ৰণীতা দেৱীৰ 'মান দেশৰ সাধু', 'ৰোমৰ সাধু' আৰু 'পৰীৰ দেশৰ সাধু', এম. আব্দুল মজিদ খানৰ 'দেশ-বিদেশৰ সাধু' আৰু ইৰাণৰ সাধু', সদা মৰলৰ 'ৰুচ দেশৰ সাধু', হৰিপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিৰ 'দুৱণিৰ সাধু' আৰু 'নানাৰঙী', ফণীন্দ্ৰনাথ গায়নৰ 'এছিয়া মহাদেশৰ সাধু', ৰীণা বৰুৱাৰ 'বিদেশী সাধুৰ কুঁকি', চিত্ৰভানুৰ 'ঈছপৰ সাধু' আদিয়ে অনূদিত শিশু-সাহিত্যৰ জগতলৈ উল্লেখযোগ্য বৰঙণি আগ বঢ়ায়। অন্যহাতে অসমীয়া শিশু-



সাহিত্য চালুকীয়া অৱস্থাত থকা কালতে অসম প্ৰকাশন পৰিষদৰ সচিবৰ আসন শুৱনি কৰি থকা চন্দ্ৰ প্ৰসাদ শইকীয়াই কেইবাখনো উল্লেখনীয় অনূদিত শিশু-গ্ৰন্থ প্ৰকাশ কৰি মহৎ ভূমিকা পালন কৰিলে। এইসমূহৰ ভিতৰত ড° মুকুন্দ মাধৱ শৰ্মাৰ 'হিতোপদেশ', যোগেন্দ্ৰনাৰায়ণ গোস্বামীৰ 'যশস্তিলকৰ কাহিনী', নিৰ্মল প্ৰভা বৰদলৈৰ 'কথাসৰিৎ সাগৰ', মহিম বৰাৰ 'বত্ৰিচ পুতলাৰ সাধু', লুই কেৰলৰ 'এলিচ ইন ৱণ্ডাৰলেণ্ড'ৰ প্ৰবীণা শইকীয়াই কৰা অসমীয়া অনুবাদ 'অজান দেশত এলিচ', আঁতোৱা দ্য চ এজুপিৰ 'লে পেটিট প্ৰিন্স'ৰ কেথেৰিণ উডছে কৰা ইংৰাজী অনুবাদ 'দা লিটল প্ৰিন্স'ৰ নিৰুপমা বৰগোহাঞিয়ে কৰা অসমীয়া অনুবাদ 'অকণমানি কোঁৱৰ', এন নছফৰ 'স্কুল বয়জ'ৰ নিশি বৰকটকীয়ে কৰা অনুবাদ 'শ্বিচকিন, মই আৰু বহুতো', ছাৰ আৰ্থাৰ কোনান ডয়ালৰ 'দা লষ্ট ৱৰ্ল্ড'ৰ ৰায়শ্বান শ্বাহে কৰা অসমীয়া অনুবাদ 'বিলুপ্ত জগত', ৰজাৰ লেন্সলীন গ্ৰীনৰ 'ৰবীন হুড'ৰ যোগেশ দাসে কৰা অসমীয়া অনুবাদ 'ৰবীন হুড', জিম কৰবেটৰ 'মেন ইটাৰ অৰ কুমায়ুন'ৰ বিৰাজ চৌধুৰীৰ অনুবাদ 'কুমায়ুনৰ মানুহ খোৱা বাঘ'ৰ লগতে 'ৰুদ্ৰপ্ৰয়াগৰ নাহৰফুটুকী' আৰু 'মন্দিৰৰ বাঘ' আদি হৈছে কেইখনমান প্ৰখ্যাত বিদেশী গ্ৰন্থৰ সাৱলীল অসমীয়া অনুবাদ। ১৯৩০ চনতে বিপিন চন্দ্ৰ বৰুৱাই 'মাৰ্চেণ্ট অৱ ভেনিচ'ৰ অসমীয়া অনুবাদ 'ভেনিচৰ সাউদ' প্ৰকাশ কৰি শিশু-সাহিত্যৰ মাজেৰে সকলো বয়সৰ পাঠক-পাঠিকাৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। অন্যহাতে দস্যু সম্ৰাট ৰবীন হুডৰ কাহিনীৰে সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামীৰ 'দস্যু সম্ৰাট' আৰু কালিকা লগা নিচা', মিখুৱেল ডি চাৰ্ভেনটিছৰ 'ডন কুইকচোট'ৰ মহেন্দ্ৰ বৰাই কৰা একে নামৰ উপন্যাস, ৰবাৰ্ট লুই ষ্টিভেনছনৰ 'মিষ্টিৰিয়াছ আইলেণ্ড'ৰ হাৰুণাৰ ৰছিদৰ অনুবাদ 'ৰত্নদ্বীপ', মেটাৰলিংকৰ 'ব্লু বাৰ্ড'ৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৰা সাৱলীল অনুবাদ 'নীলা চৰাই', গীতা উপাধ্যায়ৰ অনুবাদ গ্ৰন্থ 'এন ফ্ৰাংকৰ ডায়েৰী' আৰু বাসন্তী লস্কৰৰ দ্বাৰা অনূদিত 'ৰবিনছন ক্ৰুছো'ৰেও সকলো বয়সৰ পাঠক-পাঠিকাকে আমোদ দিব পাৰিছিল। ঠিক একেদৰে শিশু মানসিকতাক বিজ্ঞানৰ ৰহস্যাৱলীৰ সৈতে পৰিচয় কৰিব পৰাকৈ বহুকেইখন বিশ্ব-বিশ্ৰুত বিজ্ঞানভিত্তিক উপন্যাসৰো অসমীয়া অনুবাদ হৈছে। এইসমূহৰ ভিতৰত বিশেষভাৱে উল্লেখ কৰিব বিচৰা কেইখনমান গ্ৰন্থ হৈছে এইচ জি ৱেলছৰ 'দা ইনভিজিবল মেন'ৰ হেমবালা দাসে কৰা অনুবাদ 'অদৃশ্য মানৱ', জুল ভাৰ্ণৰ 'এ জাৰ্ণি টু দা চেণ্টাৰ অৱ দা আৰ্থ' আৰু 'ফ্ৰম দা আৰ্থ টু দা মুন'ৰ অনিল কুমাৰ শৰ্মাই কৰা অনুবাদ ক্ৰমে 'ভূগৰ্ভ অভিযান' আৰু 'চন্দ্ৰলোকলৈ', জুল ভাৰ্ণৰে 'এৰাউণ্ড দা ৱৰ্ল্ড ইন এইটি ডেইজ' ৰ মহেন্দ্ৰ বৰুৱাই একে নাম দি কৰা অনুবাদ আৰু 'টুৱেণ্টি থাউজেণ্ড লীগছ আণ্ডাৰ দা ছি'ৰ 'সাগৰিকা' নামেৰে বিজয়কৃষ্ণ দেৱশৰ্মা আৰু কুলেন্দু পাঠকে কৰা অনুবাদ আৰু হেম শৰ্মা অনূদিত আনাতোলি মিত্যায়েভৰ 'গ্ৰিস্কা আৰু মহাকাশচাৰী'।

**উল্লিখিত অনূদিত শিশু-সাহিত্যসমূহৰ অধিকাংশতে শিশুৰ উপযোগীকৈ বৰ্ণিত হোৱা দেশ-বিদেশৰ নাৰীসকলৰ জীৱনশৈলীৰ ধাৰণাই আমাৰ সমাজৰ কন্যা শিশুসকলৰ মানসিক উত্তৰণত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। পৃথিৱীৰ ভিন্ন প্ৰান্তৰ দেশবিলাকত থকা আমোদ-প্ৰমোদৰ ব্যৱস্থা, খেল-ধেমালিৰ ভিন্নসুৱীতা, সমাজ-জীৱনত নাৰীৰ ভূমিকা ইত্যাদি দিশসমূহ কাহিনীৰ জৰিয়তে বৰ্ণিত হোৱা বাবে শিশুসকল সেইসমূহৰ সৈতে মানসিকভাৱে একাত্ম হৈ পৰিবলৈ সুযোগ পায়।**

**শিশু-উপন্যাসৰ সৃষ্টি আৰু পৰিপূৰ্ণতা**

শিশু-সাহিত্যৰ  অন্যতম শাখা শিশু-উপন্যাসসমূহৰ ভিতৰত মৌলিক কাহিনী, সৰল বাক্যবিন্যাস তথা মনোগ্ৰাহী উপস্থাপনশৈলীৰে নব্যৰূপ প্ৰদান কৰিলে ‘এখুদ ককাইদেউ’, ‘সপোন ককা’ আৰু ‘ন-আইতা’ৰ বেশত নৱকান্ত বৰুৱাই। তেখেতৰ ‘শিয়ালী পালেগৈ ৰতনপুৰ’, ‘আখৰৰ জখলা’ আৰু ‘ভতূকাৰে ভূ’ৰে অসমীয়া শিশু-উপন্যাসৰ ভেটি গঢ়ি তুলিলে। পাছৰ সময়ছোৱাত প্ৰেম নাৰায়ণ দত্তৰ ‘পোহৰৰ বাটত’, চৈয়দ আব্দুল মালিকৰ ‘এখন সোণালী দুৱাৰ’, শশী শৰ্মাৰ ‘মোৰ দেশ মানুহৰ দেশ’, নীলিমা দত্তৰ ‘মই আৰু আমি’, লক্ষ্মীনাথ ফুকনৰ ‘বাপুকণ’, হোমেন বৰগোহাঞিৰ ‘সাউদৰ পুতেকে নাও মেলি যায়’, শান্তনু তামূলীৰ ‘মানী বাণী আৰু এখন ফুলনি’ আৰু ৰাধিকা মোহন ভাগৱতীৰ ‘ফেঁহুজালি’ হৈছে আনকেইখনমান উল্লেখনীয় শিশু-উপন্যাস। ড° ভবেন্দ্ৰ নাথ শইকীয়াই ‘মৰমৰ দেউতা’ নামৰ শিশু-উপন্যাসখনিৰে অসমীয়া শিশু-সাহিত্যৰ জগতখনত কৌতুহলপূৰ্ণ কাহিনীৰ সৰল বিন্যাস তথা আকৰ্ষণীয় উপস্থাপনশৈলীৰ সমাহাৰৰ সহায়ত বিশেষ আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হোৱাৰ লগতে শিশু-কিশোৰৰ মাজত অতি জনপ্ৰিয় হৈ পৰিছিল। ঠিক সেইদৰেই যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ ‘পৃথিৱীৰ মৰম’, যোগেন শৰ্মাৰ ‘সূৰুয উঠা দেশৰ পিনে’, ‘এটি জোন জাক জাক তৰা’, ‘জলকুঁৱৰীৰ দেশত’, ‘সপোনৰ কুকুভা’, আৰু ‘আহ পখী আহ’, সন্তোষ কুমাৰ কৰ্মকাৰৰ ‘সোণটিৰ পৃথিৱী’, প্ৰতিভা গোস্বামীৰ ‘সোণতৰা চাপৰি’, অৰূপা পটংগীয়া কলিতাৰ ‘কাঁইটত কেতেকী’, অচিন মোমাইদেউৰ ‘ডেম পেহাৰ দূৰবীন’, ভাৰতী বৰুৱাৰ ‘সোণতকৈয়ো দামী’ আৰু ‘মিকুল নিক্‌লু পিন্‌চু পাব্‌লু, বন্দিতা ফুকনৰ ‘ককাৰ জিমি’, ‘সোণটিহঁতৰ পিক্‌নিক্ আৰু ‘বান আহিছিল’ আদি উল্লেখযোগ্য শিশু-উপন্যাস।

শান্তনু তামূলীৰ ‘মানী বাণী আৰু এখন ফুলনি’ শীৰ্ষক শিশু-উপন্যাসখনিৰ ‘মানী’ চৰিত্ৰটোৱে সমসাময়িক যিকোনো এটি কন্যা শিশুৰ মানসিকতাক অতিকৈ প্ৰভাৱিত কৰিব পাৰে। ভায়েক বাণীৰ সৈতে নিজৰ ঘৰৰ চৌহদত এখন ফুলনি সৃষ্টি কৰাৰ যি সুন্দৰ প্ৰয়াস, সময়ত সেই ফুলনিখনেই আনি দিয়া নিৰ্মল আনন্দ—এনে বিষয়সমূহে কন্যা শিশু এটিক পৰিৱেশ সচেতনতাৰ প্ৰতি সজাগ কৰি তোলাৰ লগতে ফুলৰ ৰস বিচাৰি অহা মৌমাখি, পখিলাৰ সৈতে ওমলাৰ হেঁপাহ, চৌপাশৰ উষ্ণতা পৰিমাপৰ জ্ঞান, জন্মদিনত ঘৰৰ ফুলনিৰ ফুল উপহাৰ দিব পৰাৰ সুন্দৰ অনুভৱ ইত্যাদি বিভিন্ন বিষয়ৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰে।

**শিশু-আলোচনীৰ প্ৰকাশ আৰু বিকাশ—এটি নিৰৱধি ধাৰা**

১৮৮৮ খ্ৰীষ্টাব্দতে কৰুণাভিৰাম বৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা ‘ল’ৰাবন্ধু’ নামৰ আলোচনীখনেই আছিল প্ৰথম অসমীয়া শিশু-আলোচনী। ১৯১৬-১৮ খ্ৰীষ্টাব্দত অতুল চন্দ্ৰ হাজৰিকা, শৰৎ চন্দ্ৰ বৰুৱা, চিৰাজুদ্দিন আহমেদ, কৃষ্ণকান্ত সন্দিকৈ আদি পণ্ডিত-সাহিত্যিকসকলৰ অৱদানেৰে সম্পৃক্ত হৈ পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত প্ৰকাশ পোৱা দ্বিতীয়খন অসমীয়া শিশু- আলোচনী আছিল ‘অকণ’। পাছলৈ খুব কম সময়ৰ বাবে প্ৰকাশিত হোৱা আনকেইখনমান শিশু-আলোচনী আছিল ৰঘুনাথ চৌধুৰীৰ সম্পাদনাত ‘মইনা’(১৯২৩), মহাদেৱ শৰ্মাৰ সম্পাদনাত ‘অৰুণ’(১৯২৭), তুলসী নাৰায়ণ শৰ্মাৰ সম্পাদনাত ‘আমাৰ দেশ’(১৯৩২), হৰেন্দ্ৰনাথ শৰ্মাৰ সম্পাদনাত ‘পখিলা’(১৯৩৩), বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত পুনৰ ‘অকণ’(১৯৩৩) আৰু ‘ৰংঘৰ’(১৯৪৮), দীননাথ শৰ্মাৰ সম্পাদনাত ‘পাৰিজাত’(১৯৪০) আৰু এম ইব্ৰাহিম আলিৰ সম্পাদনাত ‘কাঁচিজোন’(১৯৫১)। ১৯৫৪ চনৰ পৰা সোতৰ বছৰ কাল ধৰি সমগ্ৰ অসমতে অনেক



ন-পুৰণি লেখক-লেখিকাৰ লেখনিসহ সগৌৰৱে চলি আছিল গৌৰীকান্ত তালুকদাৰৰ দ্বাৰা সম্পাদিত অসমীয়া শিশু-আলোচনী ‘দীপক’। উল্লেখযোগ্য যে ১৯৬১ চনত নৱকান্ত বৰুৱাৰ দ্বাৰা সম্পাদিত শিশু-আলোচনী ‘জোনবাই’ প্ৰকাশ পোৱাৰ আগলৈকে অসমীয়া শিশু-আলোচনীসমূহৰ সৰহ ভাগ লেখাৰ মূল আধাৰ আছিল পৌৰাণিক কাহিনী, দেশ-বিদেশৰ সাধু, জ্ঞান-বিজ্ঞানৰ কথা আদি। ১৯৮২ চনতে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সম্পাদনাত প্ৰকাশ পোৱাৰে পৰা মাজতে কিছু বছৰ বিৰতিসহ বৰ্তমানলৈকে চলি থকা ‘সঁফুৰা’ নামৰ শিশু-আলোচনীখনে অসমীয়া শিশু-আলোচনীক অভিনৱত্ব প্ৰদান কৰিলে। অকণ অকণ শিশুহঁতৰ লেখনি তথা ছবি,  শিশুৰ মনস্তত্ত্বৰ বাবে বিশেষ উপযোগী উপদেশমূলক সম্পাদকীয়, হাস্য-ব্যংগৰে পৰিপূৰ্ণ গল্প-উপন্যাস, অনূদিত কাহিনী, জ্ঞান-বিজ্ঞানৰ বতৰা, অকণিহঁতৰ দুষ্টালি ভৰা কাহিনী আদিৰে ভৰপূৰ হৈ প্ৰকাশ পোৱা ‘সঁফুৰা’ আলোচনীখনে অসমীয়া শিশু-আলোচনীক উচ্চ মাত্ৰা প্ৰদান কৰিছে। ১৯৮৪ চন আৰু ১৯৮৮ চনৰ পৰা নিয়মীয়াভাৱে প্ৰকাশ পাই থকা শান্তনু তামূলীৰ দ্বাৰা সম্পাদিত শিশু-আলোচনী ক্ৰমে ‘মৌচাক’ আৰু ‘নতুন আৱিষ্কাৰ’ৰ এটি সমীক্ষাত্মক বিশ্লেষণ পাছলৈ আগ বঢ়োৱা হৈছে। উল্লেখযোগ্য যে হোমেন বৰগোহাঞিৰ সম্পাদনাত ১৯৯১-৯২ চনলৈকে কিশোৰসকলৰ বাবে ‘কিশোৰ’ নামৰ এখন সময়োপযোগী মনোৰম আলোচনী প্ৰকাশ হৈছিল।

**সংকলনেৰে পৰ্যাপ্তভাৱে সমৃদ্ধ হোৱা নাই অসমীয়া শিশু-সাহিত্য**

অসমীয়া ভাষাৰ প্ৰথমখন শিশু-সাহিত্য সংকলন হ’ল ১৯৪৬ চনত বাণী প্ৰকাশৰ দ্বাৰা প্ৰকাশিত ‘বিহুৱান’। ১৯৬৩ চনত ৰত্ন ওজা আৰু বিমল নাথৰ যৌথ সম্পাদনাত প্ৰকাশিত হৈছিল আন এখন শিশু-সংকলন ‘ৰং আহে পাখি মেলি’। অন্যহাতে ১৯৭৯ চনত গুৱাহাটীৰ শিশু কল্যাণ সমিতিৰ দ্বাৰা প্ৰকাশিত ‘সোণ-পখিলী’ আৰু ১৯৮৪ চনত নৱকান্ত বৰুৱাৰ দ্বাৰা সম্পাদিত কাব্য সংকলন ‘মৰুৱা ফুল’ বিশেষভাৱে উল্লেখনীয়। অসমীয়া শিশু-সাহিত্য সংকলনৰ ক্ষেত্ৰত ২০০৬ চনত ‘বনলতা’ৰ পৰা প্ৰকাশ পোৱা ‘ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ শিশু-সাহিত্য সমগ্ৰ’ হৈছে এখন অনবদ্য শিশু-সাহিত্য সংকলন। কোৱা বাহুল্য যে অসমীয়া শিশু- সাহিত্যক সৰ্বতোকালৰ বাবে উৎকৃষ্ট মাত্ৰা প্ৰদান কৰি যোৱা তথা অসমীয়া সাহিত্যৰ অমূল্য সম্পদ বুলি বিবেচিত হ’ব পৰা ড° শইকীয়াৰ দ্বাৰা ৰচিত গল্প, উপন্যাস, অনাতাঁৰ নাটক, পদ্য আৰু চিঠিৰ আকাৰত আকাৰত লিখা উপদেশমূলক কথাবোৰে কেৱল শিশুসকলকে নহয়, জ্যেষ্ঠসকলকো সময়ে সময়ে আমোদৰ খোৰাক যোগাবলৈ সক্ষম হৈছিল। সংকলনখনিত ড° শইকীয়াৰ ‘তোমালোকৰ ভাল হওক’, ‘শান্ত-শিষ্ট-হৃষ্ট-পুষ্ট-মহাদুষ্ট’, ‘মৰম’, ‘মৰমৰ দেউতা’ আৰু ‘পদ্যৰ ধেমালি’ শীৰ্ষক ইতিপূৰ্বে গ্ৰন্থাকাৰে প্ৰকাশ পোৱা সাহিত্যকেইখনৰ উপৰি ‘ককাদেউতাৰ চিঠি’ আৰু ‘আশাকৰোঁ তোমালোক সকলো ভালে আছা’শীৰ্ষক লেখনিসমূহ সন্নিৱিষ্ট হৈছে। অসমীয়া শিশু-সাহিত্যক এক নতুনত্বৰ মাত্ৰা প্ৰদান কৰা ড° শইকীয়াই নিজৰ সম্পাদনাত প্ৰকাশ পোৱা ‘সঁফুৰা’ নামৰ শিশু আলোচনীখনত প্ৰকাশিত হোৱা শিশুসকলক উদ্দেশ্যি, শিশুসকলৰ মংগলৰ বাবে লিখা বিভিন্ন উপদেশমূলক কথাসমূহ ‘তোমালোকৰ ভাল হওক’ আৰু ‘আশাকৰোঁ তোমালোক সকলো ভালে আছা’নামেৰে কিতাপাকাৰে প্ৰকাশ কৰি অসমীয়া শিশু-সাহিত্যৰ ভঁৰাললৈ সৰ্বতোকালৰ বাবে এক উৎকৃষ্ট বৰঙণি আগ বঢ়াই থৈ গৈছে। তদুপৰি ল’ৰালিকালৰ নিৰ্দোষ ধেমালিৰ আঁৰ লৈ বুদ্ধিমত্তাৰ পৰিচয় বহন কৰা ‘শান্ত-শিষ্ট-হৃষ্ট-পুষ্ট মহাদুষ্ট’ আৰু ‘মহাদুষ্টৰ দুষ্টবুদ্ধি’ নামৰ কিতাপ দুখনো

অসমীয়া শিশু-সাহিত্যত এক ব্যতিক্ৰমী সমলৰূপে পৰিগণিত হয়।

**তিনিগৰাকী পুৰোধা ব্যক্তিৰ অহোপুৰুষাৰ্থক কৃতিত্বৰ চানেকী**

পূৰ্বতে উল্লেখ কৰা হৈছে যে অসমীয়া শিশু-সাহিত্যক প্ৰকৃতাৰ্থত নৱৰূপ প্ৰদান কৰিছিল 'এখুদ ককাইদেউ' নৱকান্ত বৰুৱাই। ১৯৫৬ চনতে প্ৰকাশ পোৱা তেখেতৰ 'শিয়ালী পালেগৈ ৰতনপুৰ' আৰু পাছলৈ আকাশবাণী যোগে প্ৰচাৰিত শিশু নাট সংকলন 'কেৰেলুৱাৰ ৰে'ল', 'মই টুনিয়ে টুনটুনালোঁ', 'বেলিফুল', 'মনত পৰাৰ শব্দ', 'কাগজ আৰু কলমৰ ৰণ' ইত্যাদিৰ কাহিনীসমূহ পঢ়ি অথবা চৰ্চাৰদ্বাৰা শিশুসকল কল্পনাৰ জগতত বিচৰণ কৰিবলৈ সক্ষম হৈছিল। বিভিন্ন বিষয়ৰ কথাৰ চলেৰে অকণিহঁতক জ্ঞানৰ পোহৰ দিয়া 'আখৰৰ জখলা', ভূতক ভয় নকৰা শিশুৰ কাহিনীৰে 'ভতুকাৰে ভূ' নামৰ শিশু উপন্যাস, শিশুৰ উপযোগীকৈ সৰল ভাষাত বিভিন্ন অনুশীলন, বানান আৰু উচ্চাৰণৰ লগতে অন্যান্য জ্ঞানসম্পৃক্ত 'ন-আইতা' আৰু শিশুমনক আমোদ দিব পৰা কবিতা পুথি 'ওমলা ঘৰৰ পুথি'কৈ ধৰি বিভিন্ন গীত-মাত-কথা ইত্যাদিসমূহ হৈছে তেখেতৰ শিশু-সাহিত্যৰ প্ৰতি থকা মাত্ৰাধিক প্ৰীতি তথা দুৰ্বলতাৰ আঁৰৰ দায়বদ্ধতাৰ পৰিচায়ক।

সংখ্যাত কম হ'লেও অসমীয়া শিশু-সাহিত্যৰ অন্য এজন চিৰনমস্য স্ৰষ্টা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিশু-সাহিত্যৰাজিয়ে অসমীয়া শিশু-সাহিত্য জগতখনত এখন সুকীয়া আসন দখল কৰি আহিছে। শিশুসকলৰ বাবে তেখেতৰদ্বাৰা ৰচিত মাথোঁ ১৫ টা গীত-কবিতাৰ আটাইকেউটাই অকণিহঁতক সদা-সৰ্বত্ৰ আপ্লুত কৰি আহিছে। শিশুমনক বিমল আনন্দ প্ৰদান কৰা দুখন শিশু-নাটিকা 'নিমাতী কন্যা' আৰু অসম্পূৰ্ণ হৈ ৰোৱা 'সোণপখিলী'ৰ উপৰি অন্য এক অপূৰ্ব সৃষ্টি হৈছে অন্য এখন অসম্পূৰ্ণ হৈ ৰোৱা শিশু-সাহিত্য 'জ্যোতি ৰামায়ণ'। মেটাৰলিংকৰ 'ব্লু বাৰ্ড'ৰ অসমীয়া ৰূপান্তৰ 'নীলা চৰাই' নামৰ চিৰ সেউজ সাধুটো এক প্ৰকাৰ শিশু-মানসিকতাৰ সৈতে একাত্ম হ'ব পৰা সৰ্বকালৰ বাবে সৰ্বোৎকৃষ্ট সাধু বুলি অভিহিত কৰিলেও হয়তো অত্যুক্তি কৰা নহ'ব। তেখেতৰ দ্বাৰা সৃষ্ট 'ঘোঁৰা ডাঙৰীয়া', 'নিমাতী আৰু ৰূপকোঁৱৰ' (অসম্পূৰ্ণ), আৰু 'জোনাকী ফুলনিৰ সোণালী পখিলা' (অসম্পূৰ্ণ) শীৰ্ষক সাধু তিনিটা, অসমৰ গছ-বিৰিখ, চৰাই-চিৰিকতিৰ অপূৰ্ব বিৱৰণ দাঙি ধৰা 'বাল্মীকিৰ বনত কবিতাৰ জন্ম' নামৰ পদ্যভাগ, অসমীয়া সাজ-পাৰ আৰু আ-অলংকাৰেৰে সজাই তোলা 'সীতা সয়ম্বৰ' আৰু শিশুৰ বাবে ৰচিত একমাত্ৰ গল্প 'সোণটিৰ অভিমান'— এই আটাইখিনি শিশু-সাহিত্য যুগ-যুগান্তৰৰ বাবে অজৰ-অমৰ হৈ ৰ'ব।

১৯৬৭চনত 'চিল চিল চিলা, বাগী চিল মিলা' নামৰ শিশু পুথিখনৰ জৰিয়তে শিশু-সাহিত্যত ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হোৱা অকণিহঁতৰ মাজত 'নীলা বাইদেউ' আৰু 'মৌকুঁৱৰী' নামেৰে পৰিচিত ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে অন্তৰ উজাৰি অসমীয়া শিশুসকলক দি যোৱা কেইখনমান উৎকৃষ্ট শিশু-সাহিত্য হৈছে ক্ৰমে 'অসমীয়া ওমলা গীত', 'কথা সৰিৎ সাগৰ', 'মন উৰণীয়া', 'সুৰীয়া মাত আৰু শালিকী ৰটৌ টৌ', 'ৰজা', 'বন্ধু', 'হায় নাৰিকলৰ পিঠা', 'গান শুনা ভূত', 'সেউজী-সেউজী', 'ধুনীয়া হাত', 'কাণ, নাক, হাত, ভৰি' ইত্যাদি। এইসমূহৰ উপৰি ভালেমান কবিতা, গীত, সাধু, গীতি-নাট আদিও তেখেতে শিশুসকলৰ বাবে ৰচনা কৰিছিল। শিশুৰ অপৈণত মনবোৰত এক অবুজ আমোদ তথা অনাবিল আনন্দৰ সৃষ্টিত অদ্বিতীয় আছিল তেখেতৰ দ্বাৰা সৃষ্ট গীত তথা কবিতাসমূহ। ভিন্নসুৰীতাৰ মাজতো ঐক্যৰ ডোলেৰে মনবোৰ বান্ধি



ৰাখিব পৰা মৌলিক গুণেৰে সম্পৃক্ত তথা বিদেশী সাধু, ইংৰাজী ৰাইমছ আৰু লোকসাধুৰ আৰ্হিত সৃষ্টি কৰা নিৰ্মলপ্ৰভা বৰদলৈৰ গীত, কবিতা আদিসমূহ স্বদেশৰ মাটি, বায়ু আৰু ভাষাৰ গোন্ধেৰে পৰিপূৰ্ণ হোৱাৰ লগতে এই সমূহৰ জৰিয়তে তেখেতৰ অন্তৰত শিশুসকলৰ, বিশেষকৈ কন্যা শিশুসকলৰ মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ লগত তাল মিলাই প্ৰকৃত ভাষাজ্ঞান বিকশিত কৰাব বিচৰাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰচেষ্টা বিৰাজমান হৈ থকা পৰিলক্ষিত হয়।

**অসমীয়া শিশু-সাহিত্যত কমিক্‌ছৰ প্ৰচলন**

শিশুসকলৰ কোমল মনবোৰক সহজে আকৰ্ষণ কৰিব পৰা মাধ্যমটো হৈছে কমিক্‌ছত থকা ৰং বিৰঙৰ ছবিৰ জৰিয়তে কাহিনী কোৱাৰ ধৰণ। অসমীয়া ভাষাত কমিক্‌ছৰ সৃষ্টি আৰু প্ৰকাশ অতি সীমিত হোৱাৰ মূল কাৰণ হৈছে মৌলিক চিন্তাধাৰা আৰু কমিক্‌ছধৰ্মী চিত্ৰাংকনৰ পাৰদৰ্শী চিত্ৰশিল্পী প্ৰাপ্তিৰ দীনতা। চিত্ৰশিল্পীৰ সৃষ্টিত বিকশিত হোৱা চৰিত্ৰাংকণ আৰু কাহিনীবিন্যাসৰ সামঞ্জস্যইহে কমিক্‌ছধৰ্মী কাহিনীক জনপ্ৰিয় কৰি তোলে। অপ্ৰিয় সত্য যে অসমীয়া ভাষাত এনে সাহিত্য সৃষ্টিৰ প্ৰচেষ্টাত ব্ৰতী হোৱা প্ৰকৃত শিল্পীৰ অভাৱ আজিকোপতি দূৰ হোৱা নাই। লগতে প্ৰকৃত পাৰদৰ্শিতাৰ অভাৱতে সৃষ্টি হোৱা এনে দুই-এখন মৌলিক কমিক্‌ছ কিন্তু প্ৰকৃতাৰ্থত সফল হ'ব পৰা নাই। অতি নিপুণ হাতৰ কাম আৰু এই বিষয়ত সিদ্ধহস্ত নহ'লে ব্যুৎপত্তি লাভ কৰাটো কঠিন। জীৱন সীমা তেনেই সীমিত আছিল যদিও অসমীয়া ভাষাত প্ৰকাশ পোৱা প্ৰথমখন কমিক্‌ছ আলোচনী আছিল পুলক গগৈৰ 'কাৰ্টুন'। অন্যহাতে প্ৰথমখন কমিক্‌ছ পুথি আছিল পুলক গগৈৰে 'আব্দুল হামিদ'। ১৯৮৩ চনত বয়স্ক পঢ়ুৱৈৰ বাবে প্ৰকাশিত 'লুইত কমিক্‌ছ'ৰ সমসাময়িকভাৱে প্ৰকাশিত হোৱা অধুনালুপ্ত আন তিনিখন কমিক্‌ছ আছিল 'কাজিৰঙা কমিক্‌ছ', 'ভাস্কৰ কমিক্‌ছ' আৰু টিংকল আলোচনীৰ গঢ়ত ৰূপ দিবলৈ চেষ্টা কৰা ৰঞ্জু হাজৰিকাৰদ্বাৰা সম্পাদিত 'কণ কণ'। ১৯৮৫ চনত অনন্ত পাই সম্পাদিত 'টিংকল' আৰু ১৯৮৭ চনত 'অমৰ চিত্ৰকথা' আৰু মডাৰ্ণ ক্লাছিক্‌ছৰ কমিক্‌ছৰ অসমীয়া সংস্কৰণ প্ৰকাশ পায়। সাম্প্ৰতিক সময়ত শিশুসকলৰ মাজত জনপ্ৰিয়তাৰ ধাৰা অব্যহত ৰাখিবলৈ সক্ষম হৈছে প্ৰণয় বৰদলৈৰদ্বাৰা সম্পাদিত অসমীয়া কমিক্‌ছ 'ৰংমন' আৰু নৰপ্ৰতীম দাসৰদ্বাৰা সম্পাদিত 'কণ কণ'।

কমিক্‌ছৰ জৰিয়তে কন্যা শিশু এটিক মানসিক উত্তৰণৰ জ্ঞান দিব পৰাৰ কৌশল অন্য যিকোনো সাহিত্যতকৈ ব্যতিক্ৰমী হয়। উদাহৰণ স্বৰূপে 'টিংকল' নামৰ কমিক্‌ছখনৰ এটা সংখ্যাত সংলাপবিহীনভাৱে কেৱল চিত্ৰৰ দ্বাৰাই বৰ্ণিত হোৱা এটি সৰু কাহিনীৰে বিষয়টো থোৰতে ব্যাখ্যা কৰিব বিচৰা হৈছে ঃ এজোপা আমগছৰ ডালৰপৰা ওলমি আছে পকি থকা আম। হাতেৰে ঢুকি নাপায়। দুটি সৰু ল'ৰা আহি জঁপিয়াই আম ছিঙিব বিচাৰিলে আৰু বিফল হৈ উভতি গ'ল। কিশোৰী দুগৰাকী আহি দেখিলে আমবোৰ হাতেৰে ঢুকি পোৱা অৱস্থাত নাই। গতিকে তেওঁলোকে গছজোপাৰ তললৈ এছটা শিল আনিলে। এখন তক্তাপোছ শিলছটাৰ ওপৰত দি ওমলা ঢেকীৰ দৰে সাজি ল'লে। তক্তাপোছখনৰ দুয়োমূৰে দুয়ো বহি দিয়াৰ পাছত এবাৰ এগৰাকী ওপৰলৈ উঠি গ'ল আৰু এটা আম ছিঙি আনিলে; পাছৰবাৰ আনগৰাকী ওপৰলৈ উঠি গৈ একেদৰেই আম ছিঙি অনাৰ পাছত আনন্দ মনেৰে দুয়ো ঘৰলৈ উভতি গ'ল। ঠিক এনে ধৰণেৰে চিত্ৰৰ যোগেদি দিব পৰা সুকৌশলী সম্যক জ্ঞানৰ প্ৰভাৱ সদায় ব্যতিক্ৰমী হোৱাৰ ফলত সেয়া শিশু-মনত চিৰস্থায়ী

হৈ পৰাৰ থল থাকে।

**অৱশ্যে চিন্তনীয়**

আলোচনা কৰা বিষয়সমূহৰ পৰা এটা কথা প্ৰতীয়মান হয় যে অতীজতে কেইজনমান মুষ্টিমেয় চিৰনমস্য সাহিত্যিকৰ ঐকান্তিক প্ৰচেষ্টাত গঢ় লৈ উঠিছিল অসমীয়া শিশু-সাহিত্যৰ ভেটি আৰু আজিকোপতি অন্য কেইজনমান মুষ্টিমেয় সাহিত্যিকৰ আশাশুধীয়া প্ৰচেষ্টাত অতি চালুকীয়া গতিৰে ধাৱমান হৈছে এনে সাহিত্যৰ ক্ৰমবিকাশৰ ধাৰা। অন্যহাতে শিশু-সাহিত্যত মনোনিৱেশ কৰিব বিচৰা অধিকাংশ সাহিত্যিকৰে আকৌ শিশু মনস্তত্ত্বৰ প্ৰকৃত চৰ্চাৰ জৰিয়তে তেওঁলোকৰ মানসিকতাৰ সৈতে একাত্ম হ'ব নোৱৰা গুণটোৰ বাবে বহুখিনি সাহিত্য জনপ্ৰিয় তথা আকৰ্ষণীয় পৰ্যায়লৈ নগৈ উপেক্ষিত হৈ থাকি এটা সময়ত বিলুপ্তিৰ পৰ্যায় পাইছেগৈ। এটা কথা অৱশ্যেই অনস্বীকাৰ্য যে সাম্প্ৰতিক সময়ত প্ৰকাশ পোৱা প্ৰায়বোৰ দৈনিক বাতৰি কাকতৰে সপ্তাহত এদিন অথবা সাপ্তাহিক বাতৰি কাকতসমূহৰো এটা পৃষ্ঠা শিশুসকলৰ বাবে সংৰক্ষিত কৰা হয়। এনে কাকতসমূহত শিশুসকলৰ বাবে প্ৰকাশিত লেখাসমূহত বানান তথা ভাষা প্ৰয়োগৰ ক্ষেত্ৰত সম্পাদকসকল অতিমাত্ৰা সচেতন হোৱাটো অতি প্ৰয়োজন যদিও বাস্তৱিকতে তেনে সচেতনতাৰ অভাৱ পৰিলক্ষিত হৈছে। শিশুসকলৰ অপৈণত মস্তিস্কই সচেতনতাৰ অভাৱত ঘটিব পৰা যিকোনো ভুল ধাৰণা এটা বাতৰি কাকতত প্ৰকাশ পোৱাৰ পৰিপ্ৰেক্ষিততে শুদ্ধ বুলি গ্ৰহণ কৰাৰ অতিমাত্ৰা সম্ভাৱনা থাকে। অন্যহাতে মাতৃভাষাৰ সাহিত্যৰ প্ৰতি শিশুসকলৰ মনোযোগ আকৰ্ষণ কৰিবলৈ অভিভাৱকসকলৰ প্ৰচেষ্টা, লেখাসমূহৰ মনোগ্ৰাহিতা তথা আকৰ্ষণ ক্ষমতা আৰু লেখকসকলৰ শিশু মনস্তত্ত্বৰ অধ্যয়নৰ প্ৰতি স্বাভাৱিক হাবিয়াস—এই প্ৰতিটো বিষয়ৰ সৈতে ওতপ্ৰোতভাৱে সাঙোৰ খাই আছে বাতৰি কাকতসমূহৰ শিশু-সাহিত্যপৃষ্ঠাৰ জনপ্ৰিয়তাৰ দিশটো। বিশেষকৈ অভিভাৱকসকলৰ নিজ সন্তানক ইংৰাজী মাধ্যমত শিক্ষা প্ৰদান কৰাৰ প্ৰতি থকা মাত্ৰাধিক দুৰ্বলতায়ো শিশুসকলৰ মনবোৰত মাতৃভাষাৰ সাহিত্যৰ প্ৰতি অনীহাৰ ভাব সৃষ্টি কৰাৰ আশংকা থাকে। লেখক-পাঠকৰ এনে পাৰস্পৰিক সামঞ্জস্যৰ বিষয়টোৰ উপৰি বৰ্তমানৰ প্ৰভাৱশালী লেখকবৃন্দয়ো শিশু-সাহিত্যৰ সৃষ্টি তথা বিকাশৰ বাবে অধিক মনোনিবেশ কৰাৰ সময় সমাগত। সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত তথাকথিত জনপ্ৰিয়তাতকৈ শিশু-সাহিত্যৰ প্ৰকৃত প্ৰয়োজনীয়তাক উপলব্ধি কৰি অধিক দায়বদ্ধতাৰ প্ৰতি সচেতন হৈ অগ্ৰসৰ হ'লেহে অসমীয়া ভাষাৰ শিশু-সাহিত্যই এই দিশত আগৰণুৱা ভাৰতবৰ্ষৰ অন্যান্য আঞ্চলিক ভাষাৰ শিশু-সাহিত্যৰ সৈতে ফেৰ মাৰিব পৰাকৈ নিজকে প্ৰস্তুত কৰি তুলিব পাৰিব।

**সামৰণি**

চৰ্চিত বিষয়সমূহৰপৰা পৰিলক্ষিত হয় যে অসমীয়া ভাষাত অতীজৰে পৰা আন্তৰিকতাৰে শিশু-সাহিত্যৰ চৰ্চা কৰি অহা সাহিত্যিকৰ সংখ্যা আঙুলিমূৰত লেখিব পৰা। ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন বঁটাবাহন প্ৰদানকে আদি কৰি যথোপযুক্ত সন্মান প্ৰদান কৰাৰ ক্ষেত্ৰতো শিশু-সাহিত্যিকসকল সাধাৰণতে তুলনামূলকভাৱে উপেক্ষিত হৈ পৰা যেন ভাব হয়। অথচ আমি পাহৰি যোৱাটো অনুচিত যে শিশুসকল হৈছে মানৱ-সম্পদ গঢ়াৰ মূল ভেটি তথা আধাৰস্বৰূপ। এটি কন্যা শিশু সময়ত এখন ঘৰৰ মূল চালিকাশক্তি হৈ পৰে যাৰ পৰিমাৰ্জিত সংস্কাৰেই এখন সমাজক সংশোধনৰ দিশলৈ লৈ যাব পৰাৰ ক্ষমতা বহন কৰে। অথবা আমি এনেকৈ ভাবিলেও ভুল নহ'ব যে এটি কন্যা শিশুৰ এখন সমাজক সঠিক দিশত পৰিচালিত কৰাব পৰাৰ অন্তৰ্নিহিত ক্ষমতা থাকে। এটা অট্টালিকা নিৰ্মাণত মূল ভেটিটোৱে যদি দুৰ্বল হয়, তেন্তে এসময়ত সি খহি পৰাটো নিশ্চিত। তেনেদৰেই শিশু-মনস্তত্ত্বৰ গভীৰ পৰ্যবেক্ষণৰ জৰিয়তে সু-সাহিত্যৰ সৃষ্টি কৰি তেওঁলোকৰ বয়সৰ বিভিন্ন স্তৰত তেনে সাহিত্যৰ প্ৰতি আকৰ্ষিত কৰিব পৰাটো অতিশয় প্ৰয়োজনীয় এটি বিষয়, যি পৰৱৰ্তী সময়ত সঠিক পথ নিৰ্দেশনাৰে শিশুসকলক জ্ঞানসম্পৃক্ত ভৱিষ্যতৰ দিশত অগ্ৰসৰ হোৱাত সহায়ক হয়।

**প্ৰসংগ পুথি**

অধিকাৰী, গগন চন্দ্ৰ ঃ 'মহাৰথী' স্ৰষ্টাৰ শিশু-সাহিত্য প্ৰীতি, গৰীয়সী, ডিচেম্বৰ, ২০০৬
আখতাৰ, মবিনা ঃ অসমত বিদেশী শিশু-সাহিত্য, গৰিমা, নৱেম্বৰ, ২০০৬
তামুলী, শান্তনু ঃ গোস্বামীদেৱৰ শিশু-সাহিত্য, সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামী জ্বঃ জীৱন আৰু পৰিক্ৰমা
তামুলী, শান্তনু ঃ অসমীয়া শিশু-সাহিত্য সমীক্ষা, মৌচাক প্ৰকাশন, ২০১০
দত্ত, বীৰেন্দ্ৰনাথ ঃ নৱকান্ত বৰুৱা শিশু-সাহিত্য সমগ্ৰ, ২০০৩
বৰমুদৈ, ড° আনন্দ ঃ শিশু-সাহিত্য আৰু বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু', প্ৰজ্ঞা, ১৯৯৭
বৰকটকী, উপেন ঃ অসমীয়া শিশু-সাহিত্যৰ সংক্ষিপ্ত ইতিহাস, ২০০২
বৰা, প্ৰফুল্ল চন্দ্ৰ (মুখ্য সম্পাদক), আহমেদ ছালিম আলি (সম্পাদক) ঃ ঐতিহ্যঃ অসমীয়া সাহিত্য, হেৰিটেজ আসাম, ২০০৭
শইকীয়া, শান্তিছায়া ঃ শিশু-সাহিত্যৰ মেটমৰা ভঁৰালত, গৰিমা, নৱেম্বৰ, ২০০৬
হাজৰিকা, ড° কৰবী ডেকা ঃ অসমীয়া অনুবাদ সাহিত্য, প্ৰজ্ঞা, ১৯৯৭